**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-01-2025
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

---------------------

অসমে ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ মেগাৱাট নিকা শক্তি উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰিছে। দক্ষিণ কোৰিয়া ভ্ৰমণৰ কালি অন্তিম দিনা ছিউলত দেশখনৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা ষ্টাৰ্ট আপ মন্ত্ৰী ইয়ং জুক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। সাক্ষাৎকালত মুখমন্ত্ৰীগৰাকীয়ে দক্ষিণ কোৰিয়াৰ সৈতে পাৰস্পৰিক সম্পৰ্ক বৃদ্ধিৰ বিভিন্ন দিশ আৰু অসম তথা কোৰিয়াৰ ষ্টাৰ্ট আপ গোটসমূহৰ মাজত সহযোগিতাৰ বিষয় লৈ আলোচনা কৰে। পাছত তেওঁ দক্ষিণ কোৰিয়াৰ চিলিকন ভেলী হিচাপে খ্যাত পাংগিঅ' ষ্টাৰ্ট আপ চৌহদো পৰিদৰ্শন কৰে। ড° শৰ্মাই লগতে ছেমি কণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ সৈতে জড়িত প্ৰতিষ্ঠান ছিউল ভিঅ'চিচৰ মুখ্য কাৰ্যবাহী বিষয়া লি ইয়ং জোকক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ নতুনকৈ গঢ়ি উঠা ছেমি কণ্ডাক্টৰ খণ্ডত যোগদান কৰিবলৈ আহ্বান জনায়। দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি জাপানলৈ ৰাওনা হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে তেওঁৰ কোৰিয়া ভ্ৰমণ ফলপ্ৰসূ আছিল বুলি প্ৰকাশ কৰিছে। জাপান ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত উদ্যোগ জগতৰ কাণ্ডাৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

অসমৰ চাহ বাগিচা অঞ্চলত স্বাস্থ্যসেৱাৰ উন্নয়নৰ বাবে আজি ৩৫৪ খন চাহ বাগিচা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীতকৰণৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ'ব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু চাহ জনজাতি কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই চাহ বাগিচাৰ কৰ্তৃপক্ষৰ সৈতে আজি বিয়লি দিছপুৰত এই চুক্তি স্বাক্ষৰ কৰিব। এই স্বাস্থ্য প্ৰতিষ্ঠানসমূহত পৰ্যাপ্ত ঔষধ, ৰোগ চিনাক্তকৰণৰ সা-সুবিধাৰ লগতে অন্যান্য প্ৰয়োজনীয় ব্যৱস্থাসমূহ ৰখা হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত সামূহিক স্বাস্থ্য বিষয়াসকলে চাহ বাগিচা চিকিৎসালয়ৰ চিকিৎসা বিষয়াসকলৰ সহযোগত সেই অঞ্চলৰ বাসিন্দাসকলক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ ব্যৱস্থা কৰিব।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অসমৰ কেইবাগৰাকীও সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰিছে। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত যোৱা ৩০ জনীয়া বৈষ্ণৱ সাংস্কৃতিক দলটোৱে প্ৰয়াগৰাজৰ প্ৰাগজ্যোতিষ ক্ষেত্ৰত নিৰ্মাণ কৰা নামঘৰৰ গুৰু আসনত মাজুলীৰ পৰা নিয়া ভাগৱত স্থাপন কৰে। ভকত-বৈষ্ণৱৰ নাম প্ৰসংগ, গায়ন-বায়ন, খোল-তালৰ ধ্বনিৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অহা ২৯ জানুৱাৰীত মাজুলীৰ আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীৰ নেতৃত্বত সত্ৰখনৰ ৪০ গৰাকী বৈষ্ণৱে কুম্ভমেলালৈ যাত্ৰা কৰিব। দলটোৱে শ্ৰীমন্ত শংকৰদেৱৰ অমৰসৃষ্টি **ৰাম বিজয়** নাট পৰিৱেশন কৰিব।

০০০০০০

সংযুক্ত টাই জনগোষ্ঠীয় সামাজিক-সাংস্কৃতিক সংঘৰ উদ্যোগত দুলীয়াজান সমষ্টি আৰু টেঙাখাতবাসী ৰাইজৰ সহযোগত কালিৰে পৰা তৃতীয় টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত হৈছে। বহিঃৰাষ্ট্ৰ থাইলেণ্ড, ম্যানমাৰৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ টাই জনগোষ্ঠীৰ প্ৰতিনিধি আৰু ৰাজ্যৰ বিভিন্ন অঞ্চলত বসবাস কৰা অঞ্চলটোৰ প্ৰতিনিধিসকলে এই অনুষ্ঠানত অংশ লৈছে। কালি পুৱা মহোৎসৱৰ তোৰণ উদ্বোধনেৰে কাৰ্যসুচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত টাই আহোম জাতীয় সংগীত পৰিৱেশন কৰাৰ লগতে ম্যানমাৰ আৰু থাইলেণ্ডৰ প্ৰতিনিধিসকলে নিজৰ লোক সংগীত পৰিৱেশন কৰে। কালিৰ অনুষ্ঠানতে টাই-আহোম শিল্পী জীৱেশ্বৰ মহনে মহোৎসৱৰ শীৰ্ষ গীতটি উন্মোচন কৰে।

০০০০০০

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নগাঁও শাখাৰ উদ্যোগত কালি নগাঁৱত জিলাভিত্তিক এদিনীয়া বিজ্ঞান অনুসন্ধান, শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হয়। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদে পৰিচালনা কৰা এই সমাৰোহত জিলাখনৰ ৯টা শিক্ষাখণ্ডৰ পৰা বাছনি লাভ কৰি অহা ছাত্ৰ-ছাত্ৰীৰ মাজত জিলাভিত্তিক প্ৰকল্প প্ৰতিযোগিতা অনুষ্ঠিত হয়। দীৰ্ঘম্যাদী উন্নয়নৰ বাবে পৰম্পৰাগত বিজ্ঞান পদ্ধতি শীৰ্ষক এই প্ৰকল্প প্ৰস্তুত প্ৰতিযোগিতা মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক দুটা শাখাত অনুষ্ঠিত হয়। মাধ্যমিক পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাত বি বি হাঞ্চাৰিয়া বিদ্যালয়, লাওখোৱা হাইস্কুল দল আৰু মুক্তিৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দলৰ প্ৰকল্পকেইটা ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত হয়। বিয়লি অনুষ্ঠিত বঁটা বিতৰণী সভাত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ যোগ্যতা লাভ কৰা মুঠ ৯ গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, ট্ৰফী আদিৰে পুৰস্কৃত কৰা হয়।

০০০০০

শিৱসাগৰ জিলাৰ নামতিৰ ছহিদ পিয়লিফুকন মহাবিদ্যালয়ত কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। এই মহোৎসৱৰ বিশ্ববিদ্যালয়খনৰ অধীনৰ ৬০ খন মহাবিদ্যালয়ৰ এহেজাৰ ৪০০ গৰাকী প্ৰতিযোগীয়ে অংশ লৈছে। পৰহিলৈ এই অনুষ্ঠানৰ সামৰণি পৰিব।

০০০০০০

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নগাঁও শাখাৰ উদ্যোগত কালি নগাঁৱত জিলাভিত্তিক এদিনীয়া বিজ্ঞান অনুসন্ধান, শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হয়। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদে পৰিচালনা কৰা এই সমাৰোহত জিলাখনৰ ৯টা শিক্ষাখণ্ডৰ পৰা অহা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ মাজত জিলাভিত্তিক প্ৰকল্প প্ৰতিযোগিতা অনুষ্ঠিত হয়। দীৰ্ঘম্যাদী উন্নয়নৰ বাবে পৰম্পৰাগত বিজ্ঞান পদ্ধতি শীৰ্ষক এই প্ৰকল্প প্ৰস্তুত প্ৰতিযোগিতা মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক দুটা শাখাত অনুষ্ঠিত হয়। মাধ্যমিক পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাত বি বি হাঞ্চাৰিয়া বিদ্যালয়, লাওখোৱা হাইস্কুল দল আৰু মুক্তিৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দলৰ প্ৰকল্পকেইটা ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত হয়। বিয়লি অনুষ্ঠিত বঁটা বিতৰণী সভাত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ যোগ্যতা লাভ কৰা মুঠ ৯ গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, ট্ৰফী আদিৰে পুৰস্কৃত কৰা হয়।

০০০০০০

মাজুলীৰ আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয়ত বিদ্যায়তনিক শিক্ষাৰ সমান্তৰালভাৱে সহ-বিদ্যায়তনিক শিক্ষাক আগবঢ়াই নিয়াৰ উদ্দেশ্যে আজি ছাত্ৰ-ছাত্ৰীৰ মাজত এখন

বাণিজ্য মেলাৰ আয়োজন কৰা হৈছে। বিদ্যালয়ৰ পৰ্যটন-শুশ্ৰূষা আৰু ৰিটেইল বিভাগৰ উদ্যোগত আয়োজিত এই বাণিজ্য মেলাখন আজি পুৱা চাৰে ৯ বজাত বিদ্যালয়ৰ সমীপত আউনীআটী সত্ৰৰ বাহিৰ কৰাপাটৰ 'সন্মুখত আৰম্ভ হ'ব। মাজুলীৰ মাধ্যমিক বিদ্যালয়সমূহৰ ভিতৰত প্ৰথমবাৰলৈ আয়োজিত এই বাণিজ্য মেলাখন প্ৰগতিশীল কৃষক সুমন্ত বৰুৱাই উদ্বোধন কৰিব। মেলাখনত বোকোৰা আৰু ভকতচাপৰিৰ শাক-পাচলিৰ লগতে গুড় পোৱা যাব। আউনীআটী সত্ৰৰ বৈষ্ণৱ ছাত্ৰসকলেও বিপণীত  বেপাৰ- বাণিজ্যৰ ব্যৱহাৰিক জ্ঞান অৰ্জন কৰিব। বিদ্যালয়ৰ নৱম শ্ৰেণীৰ কেইবাগৰাকী ছাত্ৰীয়ে থলীতে পিঠা, লাডু প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত গৃহ কৰ্মৰ শিক্ষাৰ প্ৰয়োজনীয়তা প্ৰদৰ্শন কৰিব।

০০০০০০

সমাপ্ত